জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৩২/২০২০

# অসম আৰক্ষীৰ দ্বাৰা ৰূপায়িত বিভিন্ন প্ৰকল্পৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

## ক্ষেত্ৰ পৰ্যায়ৰ আৰক্ষীৰ এটা পদবীৰ বিপৰীতে নিৰ্দিষ্ট স্থায়ী ভ্ৰাম্যমান দূৰভাষ নম্বৰ অচিৰেই প্ৰদান কৰা হ'ব

**দিছপুৰ, ৫ আগষ্ট ঃ** আৰক্ষী বাহিনীৰ সেৱা অধিক তৎপৰ আৰু সঁহাৰিপূৰ্ণ কৰাৰ বাবে থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পৰ্যায়লৈকে সমগ্ৰ ৰাজ্যখনৰ ক্ষেত্ৰ পৰ্যায়ৰ আৰক্ষী বিষয়ালৈ অতিশীঘ্ৰে এক স্থায়ী ভ্ৰাম্যমান দূৰভাষ নম্বৰ প্ৰদান কৰা হ'ব। নিৰ্দিষ্ট পদবীৰ বিপৰীতে অনুমোদন জনোৱা স্থায়ী ভ্ৰাম্যমান দূৰভাষ নম্বৰে জনসাধাৰণক আৰক্ষীৰ সৈতে সহজে যোগাযোগ স্থাপনৰ নিশ্চিতি প্ৰদান কৰিব। আজি খাৰঘুলীস্থিত মুখ্যমন্ত্ৰীৰ চৰকাৰী বাসভৱনত অসম আৰক্ষীৰ দ্বাৰা ৰূপায়িত হৈ থকা বিভিন্ন প্ৰকল্পৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে অতিশীঘ্ৰে এই নতুন পদক্ষেপ কাৰ্যকৰীকৰণৰ ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে।

বিপদৰ সন্মুখীন হোৱা জনসাধাৰণৰ বাবে আৰক্ষী হ'ল প্ৰাথমিক যোগাযোগ স্থাপনৰ এক নিৰ্ভৰযোগ্য মাধ্যম বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীক অধিক স্মাৰ্ট আৰু সঁহাৰিপূৰ্ণ আৰক্ষী বাহিনী হিচাপে গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে স্থায়ী ভ্ৰাম্যমান দূৰভাষ নম্বৰসমূহৰ বিষয়ে ব্যাপক প্ৰচাৰৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈও নিৰ্দেশ দিয়ে যাতে জনসাধাৰণে এই স্থায়ী ভ্ৰাম্যমান দূৰভাষ নম্বৰৰ বিষয়ে ভালদৰে অৱগত হ'ব পাৰে। ক্ষেত্ৰ পৰ্যায়ৰ আৰক্ষী বাহিনীৰ কৰ্মস্থলীত এক ইতিবাচক বাতাবৰণ সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে আৰক্ষী থানাসমূহত আৰক্ষী বাহিনীৰ বাবে জিৰণী কক্ষকে ধৰি বিভিন্ন পদক্ষেপ গ্ৰহণৰ বাবেও পৰামৰ্শ আগবঢ়ায়। মুখ্যমন্ত্ৰীয়ে লগতে চিকিৎসাজনিত কাৰণত বাহিৰৰ পৰা গুৱাহাটীলৈ অহা আৰক্ষী বাহিনীৰ বাবে থকা ব্যৱস্থাৰ সা-সুবিধা সৃষ্টিৰ পদক্ষেপ লোৱাৰ বাবেও পৰামৰ্শ আগবঢ়ায়।

অসম আৰক্ষীৰ দ্বাৰা হাতত লোৱা বিভিন্ন প্ৰকল্পৰ বিষয়ে অৱগত কৰি আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই দেৰগাঁৱত ১৮৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া অসম পুলিচ একাডেমীৰ বিস্তৃত প্ৰকল্প প্ৰতিবেদন ইতিমধ্যে প্ৰস্তুত কৰা হৈছে বুলি মুখ্যমন্ত্ৰীক অৱগত কৰাৰ লগতে এই প্ৰকল্প ৰূপায়ণ অতিশীঘ্ৰে আৰম্ভ হ'ব বুলিও তেওঁ কয়। এই একাডেমীত প্ৰশিক্ষাৰ্থীসকলৰ বাবে ডিজিটেল অপৰাধ সৈতে মোকাবিলা কৰাৰ দিশত সহায়ক হোৱাকৈ শেহতীয়া তথ্য-প্ৰযুক্তিৰ ব্যৱস্থাকে ধৰি সকলোধৰণৰ অত্যাধুনিক তথা উন্নত প্ৰশিক্ষণৰ সা-সুবিধা উপলব্ধ কৰা হ'ব বুলিও আৰক্ষী সঞ্চালক প্ৰধান গৰাকীয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে।

মৈত্ৰী আঁচনি ৰূপায়ণ সম্পৰ্কে উল্লেখ কৰি আৰক্ষী সঞ্চালক প্ৰধান গৰাকীয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে যে প্ৰথম পৰ্যায়ত ৭৩ খন আৰক্ষী থানাৰ কাম হাতত লোৱা হৈছিল। ইয়াৰে ২৩ খন আৰক্ষী থানা ইতিমধ্যে উদ্বোধন কৰা হৈছে বুলি আৰক্ষী সঞ্চালক প্ৰধান গৰাকীয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে। দ্বিতীয় পৰ্যায়ত এই আঁচনিৰ অধীনত ৩৮ খন আৰক্ষী থানাৰ কাম হাতত লোৱা হ'ব বুলিও তেওঁ কয়। আৰক্ষী সঞ্চালক প্ৰধান গৰাকীয়ে আৰক্ষী শ্বহীদ স্মাৰক তথা গুৱাহাটীৰ খানাপাৰাত ১৪০০ আৰক্ষী বাহিনী থকাৰ সুবিধাৰে নিৰ্মাণৰত পি ই বি ট্ৰেঞ্জিট কেম্পৰ কাম-কাজৰ অগ্ৰগতিৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে।

আজিৰ এই পৰ্যালোচনা বৈঠকতে মুখ্যমন্ত্ৰীয়ে গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মাণ হ'বলগীয়া শ্বহীদ স্মাৰক ক্ষেত্ৰৰ ৰূপায়ণৰ অগ্ৰগতিৰো পৰ্যালোচনা কৰে। বৈঠকত গড়কাপ্টানি বিভাগৰ আয়ুক্ত ৰাজ চক্ৰৱৰ্তীয়ে এই প্ৰকল্পৰ প্ৰাথমিক কাম-কাজৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে।

আজিৰ এই বৈঠকত জল সম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, গৃহ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱা, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান হৰমিৎ সিং, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া প্ৰমুখ্যে আৰক্ষী প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**বীঃগঃ / বঃভাঃ / পুঃডেঃ**
**৫/০৮/২০২০**